অধ্যায় ১১ ঃ ছন্দোমঞ্জৰী (দ্রুতবিলম্বিত, তোটক আৰু হৰিণী)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ আলোচিত ছন্দৰ নাম আৰু সেইবোৰৰ চমু পৰিচয়

১১.৩.১ দ্রুতবিলম্বিত ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

১১.৩.২ তোটক ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

১১.৩.৩ হৰিণী ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্রগতিৰ খতিয়ান

১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমবৃত্ত কাক বোলে জানিব পাৰিব,
- চাৰিটি সমবৃত্তৰ কথা জানিব পাৰিব,
- চাৰিটি ছন্দৰ মূল সূত্র আৰু অসমীয়া অনুবাদ জানিব পাৰিব,
- প্রত্যেকটি ছন্দৰ উদাহৰণ আৰু একোটিকৈ অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ পাব,
- আলোচনা কৰিবলৈ লোৱা চাৰিওটি ছন্দৰ প্রয়োজনীয় সাধাৰণ গণবোৰৰ লক্ষণ জানিবলৈ পাব।

১১.২ পৰিচয়

আপুনি ইতিমধ্যে ছন্দৰ কথা কিছু পৰিমাণে অধ্যয়ন কৰিছে। এতিয়া এই অধ্যায়ত কিছুমান নির্দিষ্ট ছন্দৰ সূত্র অধ্যয়ন কৰিব পাৰিব। ছন্দৰ সূত্রৰ লগে লগে ছন্দৰ উদাহৰণৰ বিশ্লেষণো অধ্যয়ন কৰিব পাৰিব। আপুনি জানিব লাগিব যে কোনো ছন্দৰ সূত্র বুজাই লিখোঁতে পৰীক্ষাত আপুনি কেৱল এটাহে উদাহৰণ দিব লাগিব।

আপুনি ইয়াত অধ্যয়ন কৰিবলৈ লোৱা ছন্দবোৰ গঙ্গাদাসৰচিত ছন্দোমঞ্জৰী নামৰ কিতাপৰ

পৰা সংগ্রহ কৰা হৈছে। ছন্দৰ বিষয়ে অধ্যয়ন কৰোঁতে ছন্দোমঞ্জৰীৰ কথা পাহৰিলে নচলিব। এই কিতাপখন অতি সহজ ভাষাত সকলোৱে বুজিব পৰাকৈ ৰচিত হৈছে। গোটেই কিতাপখন ছটি স্তৱকত ভাগ কৰি ছন্দসমূহৰ সূত্র উদাহৰণ দি বুজোৱা হৈছে। আপুনি ইয়াৰ আগৰ অধ্যায়ত ছন্দোমঞ্জৰীত আলোচিত বিষয় অধ্যয়ন কৰিছে।

এই অধ্যায়ত আলোচনা কৰিবলৈ লোৱা ছন্দবোৰৰ কাৰণে ম গণ, ন গণ, ভ গণ, জ গণ, স গণ, ৰ গণ আৰু ত গণৰ লক্ষণ আপুনি ইয়াত পাব। এই গণবোৰৰ চিনসমূহ তলত উল্লেখ কৰা হ'ল—

ম = — — — ; ন = ∪ ∪ ∪ ; ভ = — ∪ ∪ ;
জ = ∪ — ∪ ; স = ∪ ∪ — ; ৰ = — ∪ —
ত = — — ∪ ; গ (গুৰু) = — ; ল (লঘু) = ∪

ইয়াত '—' চিনটো গুৰুবর্ণক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। '∪' চিনটো লঘু বর্ণক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। ইয়াত উল্লেখ কৰা সাতটি গণ আৰু গ (গুৰু) বর্ণ আলোচনা কৰিবলৈ লোৱা ছন্দবোৰৰ চৰণত দেখিবলৈ পাব।

ইয়াত আলোচনা কৰিবলৈ লোৱা প্রত্যেকটো ছন্দ সমবৃত্ত। শ্লোকত থকা চাৰিওটি চৰণত সমান সংখ্যাৰ বর্ণ থাকিলে তাক সমবৃত্ত বোলা হয়। আপোনাৰ পাঠ্যত থকা আটাইবোৰ ছন্দ সমবৃত্ত।

১১.৩ আলোচিত ছন্দৰ নাম আৰু সেইবোৰৰ চমু পৰিচয়

আপুনি ছন্দ শব্দৰ ব্যুৎপত্তি আৰু লগতে ছন্দৰ প্রকাৰ আদিৰ বিষয়ে পূর্বতে অধ্যয়ন কৰিছে। সংস্কৃতৰ ছন্দবোৰ বর্ণৰ মাত্রাৰ ভিত্তিত গণৰ ওপৰতহে নির্ভৰ কৰে। আপুনি ইতিমধ্যে আঠটি গণ আৰু লগতে গুৰু আৰু লঘু বর্ণৰ কথাও অধ্যয়ন কৰিছে।

ইয়াত আপুনি নির্দিষ্ট চাৰিটি ছন্দৰ সূত্র উদাহৰণসহ অধ্যয়ন কৰিবলৈ পাব। এই চাৰিটি ছন্দ হৈছে— দ্রুতবিলম্বিত, তোটক, হৰিণী আৰু উপেন্দ্রবজ্রা।

দ্রুতবিলম্বিতৰ প্রত্যেকটো চৰণত বাৰটিকৈ বর্ণ থাকে। চাৰিওটি চৰণৰ বর্ণৰ সংখ্যা হয়গৈ চাৰিকুৰি আঠ। তোটক ছন্দৰ প্রত্যেক চৰণত বাৰটিকৈ বর্ণ থাকে। ইয়াৰ প্রত্যেক চৰণত চাৰিটিকৈ স গণ থাকে। ইয়াৰো চাৰিওটি চৰণৰ বর্ণৰ সংখ্যা চাৰিকুৰি আঠ। তোটকৰ সূত্রত থকা 'অব্ধি' (সমুদ্র) শব্দই চাৰিক বুজাইছে। উপেন্দ্রবজ্রা ছন্দৰ প্রত্যেক চৰণত এঘাৰটিকৈ বর্ণ থাকে। ইয়াৰ চাৰিওটি চৰণৰ বর্ণৰ সংখ্যা দুকুৰি চাৰি (৪৪)। আপুনি উপেন্দ্রবজ্রা আৰু ইন্দ্রবজ্রা ছন্দৰ মাজত পার্থক্য লক্ষ্য কৰিলে দেখিব যে উপেন্দ্রবজ্রাৰ চৰণৰ প্রথম বর্ণটো লঘু আৰু ইন্দ্রবজ্রাৰ চৰণৰ প্রথম বর্ণটো গুৰু। আপুনি দেখিবলৈ পাব যে উপেন্দ্রবজ্রা ছন্দত প্রথমটো জ গণ তাৰ পাছত ত গণ, তাৰ পাছত জ গণ আৰু শেষৰ দুটা বর্ণ গুৰু হৈছে। আনহাতে ইন্দ্রবজ্রা ছন্দত প্রথম দুটা ত গণ, তাৰ পাছত জ গণ আৰু শেষৰ দুটা বর্ণ গুৰু হৈছে। হৰিণী ছন্দৰ প্রত্যেক চৰণত ওঠৰটিকৈ বর্ণ আছে। এই ছন্দৰ চাৰিওটি চৰণৰ মুঠ বর্ণৰ সংখ্যা বাসত্তৰ (৭২)।

হৰিণী ছন্দৰ সূত্রত প্রথমতে ষষ্ঠ বর্ণ, তাৰ পাছত চতুর্থ বর্ণ আৰু শেষত সপ্তম বর্ণত যতি পৰে। সূত্রত 'বেদ' শব্দ চাৰি আৰু 'হয়' (ঘোৰা) শব্দ সাতক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। সূর্য্যৰ ৰথৰ ঘোৰা সাতটি। সেইকাৰণেই 'হয়' শব্দ সাতক বুজাবলৈ ব্যৱহাৰ কৰা হয়।

১১.৩.১ দ্রুতবিলম্বিত ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

আপুনি আলোচনা কৰিবলৈ লোৱা চাৰিওটি ছন্দৰ নাম পালে। সেই চাৰিওটি ছন্দৰ সাধাৰণ পৰিচয়ো জানিলে।

এতিয়া আপুনি দ্রুতবিলম্বিত ছন্দৰ সূত্র আৰু উদাহৰণ অধ্যয়ন কৰিবলৈ পাব।

গঙ্গাদাসৰ ছন্দোমঞ্জৰীত দ্রুতবিলম্বিত ছন্দৰ সূত্র এইদৰে নির্ণয় কৰা হৈছে—

"দ্রুতবিলম্বিতমাহ নভৌ ভৰৌ"।

নভৌ (নঃ চ ভঃ চ) ভৰৌ (ভঃ চ ৰঃ চ) দ্রুতবিলম্বিতম্ আহ। অর্থাৎ ন গণ, ভ গণ, ভ গণ আৰু ৰ গণ যেতিয়া প্রত্যেক চৰণত থাকে তেতিয়া তাক দ্রুতবিলম্বিত ছন্দ বুলি কোৱা হয়।

দ্রুতবিলম্বিত ছন্দৰ গণবোৰ সূত্রত থকা ক্রম অনুসৰি তলত দেখুওৱা হৈছে—

ন ভ ভ ৰ

∪ ∪ ∪ | — ∪ ∪ | — ∪ ∪ | — ∪ —

গণসমূহৰ স্থিতি অনুসৰি প্রথম তিনিটা বর্ণ, পঞ্চম আৰু ষষ্ঠ বর্ণ, অষ্টম আৰু নৱম বর্ণ আৰু একাদশ বর্ণ লঘু। প্রত্যেক চৰণত অৱশিষ্ট বর্ণ অর্থাৎ চতুর্থ, সপ্তম, দশম আৰু দ্বাদশ বর্ণ গুৰু।

দ্রুত বিলম্বিত ছন্দৰ উদাহৰণ হিচাবে তলত এটি শ্লোক উল্লেখ কৰা হ'ল—

ন ভ ভ ৰ

∪ ∪ ∪ | — ∪ ∪ | — ∪ ∪ | — ∪ —

ত ৰ ণি | জা পু লি | নে ন ৰ | ব ল্ল কী

∪ ∪ ∪ | — ∪ ∪ | — ∪ ∪ | — ∪ —

প ৰি ষ | দা স হ | কে লি কু | তূ হ লাৎ

∪ ∪ ∪ | — ∪ ∪ | — ∪ ∪ | — ∪ —

দ্রু ত বি | ল ম্বি ত | চা ৰু বি | হা ৰি ণং

∪ ∪ ∪ | — ∪ ∪ | — ∪ ∪ | — ∪ —

হ ৰি ম | হং হ্ৰ দ | যে ন স | দা ৱহে।

উদ্ধৃত শ্লোকটিৰ প্রত্যেক চৰণত বাৰটিকৈ বর্ণ আছে। এতেকে শ্লোকফাঁকি সমবৃত্ত ছন্দত ৰচিত। শ্লোকটিৰ প্রত্যেক চৰণৰ বর্ণবোৰৰ লঘু আৰু গুৰু বিচাৰ কৰা হৈছে। তিনিটিকৈ বর্ণৰ সমষ্টিত একোটিকৈ গণ গঠন কৰা হৈছে। গঠিত গণবোৰৰ

লক্ষণ অনুসৰি প্রত্যেক চৰণ যথাক্রমে ন, ভ, ভ আৰু ৰ গণত ৰচিত হৈছে। দ্রুতবিলম্বিত ছন্দৰ সূত্র অনুসৰি এই শ্লোকটি উক্ত ছন্দত ৰচিত বুলি ক'ব লাগিব। সেইকাৰণে এই শ্লোক ফাঁকিক দ্রুতবিলম্বিত ছন্দৰ উদাহৰণ হিচাবে গ্রহণ কৰিব পাৰি।

আপুনি দ্রুতবিলম্বিত ছন্দ উদাহৰণসহ অধ্যয়ন কৰিলে। এতিয়া আপুনি এটি শ্লোক অতিৰিক্ত উদাহৰণ হিচাপে বিশ্লেষণ কৰা দেখিবলৈ পাব। এই মাত্র আলোচনা কৰি অহা শ্লোকটি ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে। এতিয়া অতিৰিক্ত উদাহৰণ হিচাপে সংগ্রহ কৰা শ্লোকটি ***কালিদাসৰ অভিজ্ঞানশকুন্তলম্‌ৰ*** পৰা লোৱা হৈছে। শ্লোকফাঁকি তলত বিশ্লেষণ কৰা হ'ল -

ন	ভ	ভ	ৰ
∪ ∪ ∪	— ∪ ∪	— ∪ ∪	— ∪ —
ইদম	নন্যপ	ৰায়ণ	মন্যথা
∪ ∪ ∪	— ∪ ∪	— ∪ ∪	— ∪ —
হৃদয়	সন্নিহি	তে! হৃদ	য়ং মম।
∪ ∪ ∪	— ∪ ∪	— ∪ ∪	— ∪ —
যদি স	মর্থয়	সে মদি	ৰেক্ষণে!
∪ ∪ ∪	— ∪ ∪	— ∪ ∪	— ∪ —
মদন	বাণহ	তো হস্মি হ	তঃ পুনঃ।।

এই শ্লোকফাঁকিৰ প্রত্যেক চৰণত বাৰটিকৈ বর্ণ আছে। প্রত্যেক চৰণত বর্ণবোৰৰ লঘু আৰু গুৰু বিচাৰ কৰা হৈছে। তাৰ পাছত তিনিটাকৈ বর্ণৰ সমষ্টিত একোটিকৈ গণ গঠন কৰা হৈছে। গণবোৰৰ লক্ষণ অনুসৰি দেখা যায় যে প্রত্যেক চৰণত ন, ভ, ভ আৰু ৰ গণ আছে। দ্রুতবিলম্বিত ছন্দৰ সূত্র মতে এই শ্লোকটি দ্রুতবিলম্বিত ছন্দত ৰচিত বুলি ক'ব লাগিব।

ইয়াত প্রত্যেক চৰণৰ মূৰত যতি পৰিব। শ্লোকফাঁকিৰ তৃতীয় চৰণৰ শেষৰ "মম" পদৰ শেষ বর্ণ 'ম'। ম্‌ত থকা অ-কাৰ কেতিয়াও গুৰু হব নোৱাৰে। কিন্তু, ছন্দটিৰ প্রয়োজনৰ কাৰণে 'মম' পদটিৰ ম্‌ৰ অকাৰক গুৰু বুলি গণ্য কৰা হৈছে ('তথা পাদান্তগোহপি ৰা')।



কালিদাস ঃ কালিদাস সংস্কৃত কাব্যজগতত এটি অমৰ নাম। তেওঁৰ আৰির্ভাৰ উজ্জয়িনীত হৈছিল বুলি কোৱা হয়। তিনিখন নাটক, দুখন মহাকাব্য আৰু দুখন খণ্ডকাব্য লিখি তেওঁ অমৰ হৈছে। তেওঁৰ মেঘদূত নামৰ খণ্ডকাব্য আৰু শকুন্তলা নাটক পৃথিৰীৰ সকলোতে সমাদৃত।

অভিজ্ঞানশকুন্তলম্‌ ঃ কালিদাসৰ ৰচিত এখন বিখ্যাত নাটক অভিজ্ঞানশকুন্তলম্‌। নাটকখন সাতটি অঙ্কত সমাপ্ত হৈছে। ইয়াৰ নায়ক দুষ্যন্ত আৰু নায়িকা শকুন্তলা। মহাভাৰতৰ কাহিনীৰ আধাৰত নাটকখন ৰচিত।



জানি থোৱা ভাল

- কোনো শ্লোকৰ কোনো চৰণত থকা লুপ্ত অকাৰক (হ) কেতিয়াও বর্ণ বুলি গণনা কৰিব নালাগে।
- পদৰ মাজত বা শেষত ব্যঞ্জন (স্বৰহীন কেৱল ব্যঞ্জনবর্ণ) বর্ণ থাকিলে তাক বর্ণ বুলি ধৰিব নালাগে।
- ছন্দ এটাৰ সূত্রত থকা গণৰ ক্রমমতেহে গণৰ উল্লেখ কৰিব লাগে।

- ছন্দৰ চৰণত ক্ষন্তেক বিৰতিকেই যতি বোলা হয়। ছন্দৰ সূত্ৰত কেতিয়াবা কেতিয়াবা যতিৰ নির্দেশ বুজোৱা শব্দ থাকে। তেনেকুৱা নির্দেশ নাথাকিলে প্রত্যেক চৰণৰ মূৰতহে যতিৰ ব্যৱহাৰ হয়। জিভাৰ বিৰাম লোৱা ঠাইক যতি বোলা হয়। যতিক বিচ্ছেদ আৰু বিৰাম বুলিও কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ "দ্রুতবিলম্বিত ছন্দটো সমবৃত্ত।" —বাক্যটো শুদ্ধ নে অশুদ্ধ?

.....

প্রশ্ন নং ২ ঃ দ্রুত বিলম্বিতৰ সূত্রত থকা ধৰণে গণবোৰ লিখক।

.....

.....

প্রশ্ন নং ৩ ঃ দ্রুতবিলম্বিত ছন্দৰ সূত্রটো লিখি বর্ণবোৰৰ লঘু আৰু গুৰু নির্ণয় কৰি গণত ভাগ কৰি গণৰ নামবোৰ লিখক।

.....

প্রশ্ন নং ৪ ঃ পদৰ অন্তত থকা লঘু বর্ণটিকো কেতিয়াবা কিহৰ কাৰণে গুৰু বুলি ধৰিব লাগে লিখক।

.....

প্রশ্ন নং ৫ ঃ দ্রুতবিলম্বিত ছন্দৰ প্রত্যেক চৰণত কেইটিকৈ বর্ণ থাকে লিখক।

.....

১১.৩.২ তোটক ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

আপুনি দ্রুতবিলম্বিত ছন্দৰ সূত্র উদাহৰণসহ অধ্যয়ন কৰিলে। সেই প্রসঙ্গত এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণো অধ্যয়ন কৰিবলৈ পালে। এতিয়া ইয়াত আপুনি তোটক ছন্দৰ সূত্র আৰু উদাহৰণৰ আলোচনা অধ্যয়ন কৰিবলৈ পাব। তোটক ছন্দৰ সূত্র ছন্দোমঞ্জৰীত তলত উল্লেখ কৰা ধৰণে নির্ণয় কৰা হৈছে। সূত্রটি এনেকুৱা—

"বদ তোটকমব্ধি সকাৰযুতম্'।

অব্ধিসকাৰযুতম্ তোটকম্ বদ অর্থাৎ চাৰিটি সকাৰযুক্ত (চাৰিটি সগণ) ছন্দক তোটক বুলি ক'ব লাগে। সূত্রটিৰ পৰা ইয়াকে বুজিব পাৰিলে যে তোটক ছন্দৰ প্রত্যেক চৰণত চাৰিটি সগণ থাকে। সূত্রত থকা অব্ধি শব্দই চাৰিক বুজাইছে। তোটক ছন্দৰ চৰণত গণৰ স্থিতি এনেকুৱা—

স স স স

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

গণৰ অৱস্থানৰ পৰা দেখা পালে যে প্রত্যেক চৰণত তৃতীয়, ষষ্ঠ, নৱম আৰু দ্বাদশ বর্ণ গুৰু। চৰণত থকা অৱশিষ্ট বর্ণ অর্থাৎ প্রথম, দ্বিতীয়, চতুর্থ, পঞ্চম, সপ্তম, অষ্টম, দশম আৰু একাদশ বর্ণ লঘু হৈছে। ছন্দটিৰ প্রত্যেক চৰণৰ মূৰত যতি পৰে।

তোটক ছন্দৰ উদাহৰণ হিচাবে তলত এটি শ্লোক উল্লেখ কৰা হ'ল—

স স স স

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

য মু না | ত ট ম | চ্যুতকে | লিকলা

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

ল স দঙ্ | ঘ্রি স ৰো | ৰু হ স | ঙ্গৰুচিম্।

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

মু দি তে | হটকলে | ৰ পনে | তুমঘং

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

য দি চে | চ্ছসি জ | ন্ম নিজং | সফলম্।।

উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেক চৰণত বাৰটিকৈ বর্ণ আছে। চৰণত থকা প্রত্যেক বর্ণৰ লঘুত্ব আৰু গুৰুত্ব বিচাৰ কৰা হৈছে।তিনিটিকৈ বর্ণৰ গোটত একোটিকৈ গণ নির্দ্ধাৰণ কৰা হৈছে। গণৰ লক্ষণ অনুসৰি প্রত্যেক চৰণত চাৰিটি স গণ থকা দেখা গৈছে। তোটক ছন্দৰ সূত্রত কোৱা হৈছে যি ছন্দৰ চৰণ চাৰিটি স গণত ৰচিত তাক তোটক বোলা হয়। সেইকাৰণেই উদ্ধৃত শ্লোকফাঁকিক তোটক ছন্দৰ উদাহৰণ হিচাবে গ্রহণ কৰিব পাৰি। ইয়াত প্রত্যেক চৰণৰ মূৰতহে যতি পৰে।

আপুনি তোটক ছন্দৰ সূত্র উদাহৰণসহ অধ্যয়ন কৰিলে। উদাহৰণটি ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে। এতিয়া ইয়াত আন এটি শ্লোক অতিৰিক্ত উদাহৰণৰূপে বিশ্লেষণ কৰা হৈছে। এই শ্লোকটি ***শ্রীমদ্বল্লভাচার্য্য*** ৰচিত 'মধুৰাষ্টকম্' নামৰ স্তোত্রৰ পৰা সংগ্রহ কৰা হৈছে।

শ্লোকটি এনেকুৱা—

স স স স

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

অ ধৰং | ম ধু ৰং | ৰ দ নং | ম ধু ৰং

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

ন য় নং | মধুৰং | হসিতং | মধুৰম্।

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

হৃ দয়ং | মধুৰং | গমনং | মধুৰং



শ্রীমদ্বল্লভাচার্য্য ঃ
শ্রীমদ্বল্লভাচার্য্যই বৈষ্ণৱ ধর্মৰ বল্লভী সম্প্রদায় প্রৱর্ত্তন কৰিছিল। তেওঁৰ আৰির্ভাৰ কাল ষোড়শ শতিকা। তেওঁ গীতাৰ ভাষ্য ৰচনা কৰিছিল।

ᴗ ᴗ — | ᴗ ᴗ — | ᴗ ᴗ — | ᴗ ᴗ —

ম ধু ৰা | ধিপতে | ৰখিলং | মধুৰম্।।

উদ্ধৃত শ্লোকটিৰ প্ৰত্যেক চৰণত বাৰটিকৈ বৰ্ণ আছে। প্ৰত্যেক চৰণৰ বৰ্ণবোৰৰ লঘু আৰু গুৰু বিচাৰ কৰা হৈছে। তিনিটিকৈ বৰ্ণৰ গোটত একোটিকৈ গণ নিৰ্দ্ধাৰণ কৰা হৈছে। গণৰ লক্ষণ মতে শ্লোকফাঁকিৰ প্ৰত্যেক চৰণত চাৰিটিকৈ স গণ থকা দেখা গৈছে। সেইকাৰণেই উদ্ধৃত শ্লোকফাঁকি তোটক ছন্দত ৰচিত বুলি ক'ব লাগিব। কাৰণ, আপুনি অধ্যয়ন কৰিছে যে চাৰিটি স গণৰ সহায়ত শ্লোকৰ চৰণ ৰচিত হ'লে তাক তোটক বুলি কোৱা হয়।



জানি থোৱা ভাল

● সকাৰ বুলিলে স বৰ্ণক বুজোৱা নাই। ইয়াত স গণক বুজাইছে। তিনিটা বৰ্ণৰ ভিতৰত শেষৰটো গুৰু হ'লে তাক স গণ বোলে।

● অব্ধি শব্দই চাৰিক বুজাইছে (অপ্ ধা + কি)। অব্ধি শব্দৰ অর্থ সাগৰ। ইয়াত অব্ধিয়ে সংখ্যাবাচক শব্দ চাৰিক বুজাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ "তোটক ছন্দৰ শ্লোক এটিত মুঠতে আঠচল্লিছটি বৰ্ণ থাকে।" —বাক্যটি শুদ্ধ নে অশুদ্ধ?

.....

প্ৰশ্ন নং ৭ ঃ তোটক ছন্দৰ সূত্ৰটি মুখস্থ লিখক।

.....

প্ৰশ্ন নং ৮ ঃ তলত লিখা পদ কেইটিৰ বৰ্ণৰ লঘু গুৰু নিৰ্ণয় কৰক আৰু কি কি গণ হৈছে লিখক—

সলিলং | মধুৰং | কমলং | মধুৰম্।

.....

.....

১১.৩.৩ হৰিণী ছন্দৰ সূত্ৰ, উদাহৰণসহ আলোচনা আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

আপুনি তোটক ছন্দৰ সূত্ৰ উদাহৰণ সহ অধ্যয়ন কৰিলে। এতিয়া ইয়াত হৰিণী ছন্দৰ বিষয়ে জানিবলৈ পাব। হৰিণী ছন্দটিৰ সূত্ৰ এইদৰে নির্ণয় কৰা হৈছে—

"নসমৰসলা গঃ ষড়্ৰেদৈর্হয়ৈর্হৰিণী মতা"।

নসমৰসলাঃ গঃ ষড়্ৰেদৈঃ হয়ৈঃ হৰিণী মতা— যেতিয়া প্ৰত্যেক চৰণত ন

গণ, স গণ, ম গণ, ৰ গণ, স গণ আৰু এটা লঘুবর্ণ আৰু শেষ বর্ণটি গুৰু থাকে তেতিয়া তাক হৰিণী ছন্দ বুলি কোৱা হয়। এই ছন্দৰ চৰণত প্রত্যেক ষষ্ঠ বর্ণ, তাৰ পাছত চতুর্থবর্ণ আৰু পাছত সপ্তম বর্ণৰ মূৰত যতি পৰে। হৰিণী ছন্দৰ সূত্রত থকা 'ষট্' পদে ষষ্ঠ, ৰেদ পদে চাৰি (চতুর্থ) আৰু 'হয়' পদে সাত (সপ্তম) সংখ্যাক বুজাইছে।

হৰিণী ছন্দৰ প্রত্যেক চৰণত গণৰ স্থিতি তলত উল্লেখ কৰা হ'ল—

ন স ম ৰ স ল গ

∪ ∪ ∪ | ∪ ∪ — | — — — | — ∪ — | ∪ ∪ — | ∪ —

গণৰ স্থিতিৰ পৰা দেখা গ'ল যে হৰিণী ছন্দত প্রথম পাঁচটি বর্ণ , একাদশ বর্ণ, ত্রয়োদশ, চতুর্দশ আৰু ষোড়শ বর্ণ লঘু। অৱশিষ্ট বর্ণ অর্থাৎ ষষ্ঠ, সপ্তম, অষ্টম, নৱম, দশম, দ্বাদশ, পঞ্চদশ আৰু সপ্তদশ বর্ণ গুৰু।

ইয়াত '∪' চিনটো লঘুক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। '—' চিনটো গুৰুক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। হৰিণী ছন্দৰ উদাহৰণ এটি তলত উল্লেখ কৰা হ'ল—

'ন স ম ৰ স ল গ

∪ ∪ ∪ | ∪ ∪ — | — — — | — ∪ — | ∪ ∪ — | ∪ —

ব্য ধি ত | সবিধি | নেত্রংনী | ত্বাধ্রুৱং | হৰিণী | গণাদ্

∪ ∪ ∪ | ∪ ∪ — | — — — | — ∪ — | ∪ ∪ — | ∪ —

ব্র জ মৃ | গ দৃ শাং | সন্দোহ | স্যোল্লস | ন্নয়ন | শ্রিয়ম্।

∪ ∪ ∪ | ∪ ∪ — | — — — | — ∪ — | ∪ ∪ — | ∪ —

য দ য় | মনিশং | দূ র্বা শ্যা | মে মুৰা | ৰিকলে | ৱৰে

∪ ∪ ∪ | ∪ ∪ — | — — — | — ∪ — | ∪ ∪ — | ∪ —

ব্য কি ৰ | দধিকং | বদ্ধাকাঙ্ | ক্ষে বিলো | লবিলো | চনম্।।'

এই শ্লোকফাঁকিৰ প্রত্যেক চৰণত ১৭টিকৈ বর্ণ আছে। প্রত্যেক চৰণৰ বর্ণবোৰৰ লঘু আৰু গুৰু নির্ণয় কৰা হৈছে। তিনিটিকৈ বর্ণৰ গোটত একোটিকৈ গণ ভাগ কৰা হৈছে। গণবোৰৰ লক্ষণৰ পৰা দেখা যায় যে প্রত্যেক চৰণত যথাক্রমে ন গণ, স গণ, ম গণ, ৰ গণ, স গণ আছে আৰু শেষৰ বর্ণটো গুৰু আৰু তাৰ পূর্ববর্ণটো লঘু হৈছে। হৰিণী ছন্দৰ লক্ষণ উদ্ধৃত শ্লোকফাঁকিত সম্পূর্ণৰূপে দেখা গৈছে। সেইকাৰণে শ্লোকফাঁকিক হৰিণী ছন্দৰ উদাহৰণ হিচাবে গ্রহণ কৰিব পাৰি। প্রত্যেক চৰণত প্রথমতে ষষ্ঠ বর্ণ, তাৰ পিছত আকৌ চতুর্থ বর্ণ আৰু শেষত সপ্তম বর্ণৰ শেষত অর্থাৎ চৰণৰ শেষত যতি পৰিব।

হৰিণী ছন্দৰ উদাহৰণ আলোচনাৰ পিছত আন এটি শ্লোক অতিৰিক্ত উদাহৰণ হিচাবে আপুনি ইয়াত পাব। প্রথম উদাহৰণৰ শ্লোকটি ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে। এতিয়া ইয়াত উদ্ধৃত শ্লোকটি কালিদাসৰ অভিজ্ঞানশকুন্তলম্‌ৰ পৰা সংগ্রহ কৰা হৈছে। শ্লোকফাঁকি তলত লিখি বিশ্লেষণ কৰা হ'ল—

ন	স	ম	ৰ	স	ল গ
∪ ∪ ∪ |	∪ ∪ — |	— — — |	— ∪ — |	∪ ∪ — |	∪ —
অ ভি জ	ন ৱতো	ভর্তুঃ শ্লা	ঘ্যেস্থিতা	গৃ হি ণী	প দে
∪ ∪ ∪ |	∪ ∪ — |	— — — |	— ∪ — |	∪ ∪ — |	∪ —
বি ভৰ	গুৰুভিঃ	কৃত্যৈস্ত	স্যপ্রতি	ক্ষ ণ মা	কুলা।
∪ ∪ ∪ |	∪ ∪ — |	— — — |	— ∪ — |	∪ ∪ — |	∪ —
ত ন য়	মচিৰাৎ	প্রাচীবা	র্কং প্রসূ	য় চ পা	ৱনং
∪ ∪ ∪ |	∪ ∪ — |	— — — |	— ∪ — |	∪ ∪ — |	∪ —
ম ম বি	ৰহজাং	ন ত্বং বৎ	সে !শুচং	গণয়ি	য্যসি।।

উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেক চৰণত সোতৰটিকৈ (১৭) বর্ণ আছে। প্রত্যেক চৰণত বর্ণবোৰৰ লঘু আৰু গুৰু বিচাৰ কৰি তিনিটিকৈ বর্ণেৰে একোটিকৈ গণ গঠন কৰা হৈছে। গণবোৰৰ লক্ষণ বিচাৰ কৰি দেখা গৈছে যে প্রত্যেক চৰণত যথাক্রমে ন গণ, স গণ, ম গণ, ৰ গণ, স গণ আছে আৰু শেষৰ দুটা বর্ণ যথাক্রমে লঘু আৰু গুৰু হৈছে। শ্লোকফাঁকিৰ চতুর্থ চৰণৰ আটাইতকৈ শেষ বর্ণ হৈছে 'সি'। এই 'সি' বর্ণটো লঘু। কিন্তু, ছন্দৰ প্রয়োজন অনুসৰি লঘু হলেও তাক গুৰু বুলি ধৰা হৈছে (তথা পাদান্তগোহপি ৱা)।

এই শ্লোকফাঁকিৰ প্রত্যেক চৰণৰ ষষ্ঠ বর্ণ, আকৌ চতুর্থ বর্ণ আৰু পিছত সপ্তম বর্ণৰ অন্তত অর্থাৎ চৰণৰ শেষত যতি পৰিব। এই শ্লোকটি হৰিণী ছন্দত ৰচিত বুলি ক'ব লাগিব।



জানি থোৱা ভাল

● ছন্দৰ সূত্রত গণবোৰ প্রায় সময়তেই দ্বন্দ্ব সমাসত দিয়া থাকে। হৰিণী ছন্দৰ সূত্রতো ন গণ, স গণ, ম গণ, ৰ গণ, স গণ আৰু লঘুবর্ণ বুজাবলৈ ব্যৱহাৰ হোৱা 'ল' —একেলগে দ্বন্দ্ব সমাসত দিয়া হৈছে -- 'নসমৰসলাঃ' অর্থাৎ নঃ চ সঃ চ মঃ চ ৰঃ চ সঃ চ লঃ চ। ইয়াত শব্দটো বহুবচনত আছে। বহু কেইটা পদ থকাৰ কাৰণে সমাসান্ত পদটো বহুবচনত ব্যৱহাৰ হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ হৰিণী ছন্দৰ প্রত্যেক চৰণত কেইটিকৈ বর্ণ থাকে লিখক।

.....

প্রশ্ন নং ১০ ঃ হৰিণী ছন্দৰ চৰণত যতিৰ ব্যৱহাৰ বুজাবলৈ কি কি শব্দ ব্যৱহাৰ হৈছে লিখক।

.....

.....

প্রশ্ন নং ১১ ঃ হৰিণী ছন্দৰ সূত্রটি মুখস্থ লিখক।

.....

প্রশ্ন নং ১২ ঃ তলত দিয়া পদবোৰৰ লঘু আৰু গুৰু বর্ণ বিচাৰ কৰক—

ক্ষিতীশঃ, ৰমেশঃ, মোদতে।

.....

.....



১১.৪ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- দ্রুতবিলম্বিত, তোটক, হৰিণী আৰু উপেন্দ্রবজ্রা ছন্দৰ সূত্র আৰু উদাহৰণ শিকিলে।
- ছন্দৰ সূত্রবোৰৰ অসমীয়া অর্থ জানিলে।
- প্রত্যেকটি ছন্দৰ অতৰিক্ত উদাহৰণৰ বিশ্লেষণো শিকিলে।
- ছন্দৰ সূত্রত থকা ক্রম অনুসৰি যে গণবোৰৰ স্থিতি লিখিব লাগে সেইটো জানিলে।
- ছন্দৰ চৰণৰ আটাইতকৈ শেষৰ বর্ণটি লঘু হ'লেও যে ছন্দৰ প্রয়োজন অনুসৰি গুৰু বুলি ধৰিব লাগে তাকো শিকিলে।
- ছন্দৰ সূত্র ব্যাখ্যা কৰোঁতে গণবোৰৰ নাম যে লিখিব লাগে তাকো জানিলে।
- কালিদাস, অভিজ্ঞানশকুন্তলম্, বল্লভাচার্য্য, শ্রুতবোধ আদিৰ তেনেই সামান্য পৰিচয়ো লাভ কৰিলে।




১১.৫ অধিক জানিবলৈ

১) কালিদাস; (১৯৮২); *শ্রুতবোধঃ*; *সংস্কৃত সাহিত্য সম্ভাৰ ১২ ভাগ*; কলিকতা ঃ নৱপত্র প্রকাশন।

২) Bose, R. M.; The Metres used in the play– *Abhijnan Sakuntalam.*

৩) শাস্ত্রী, আচার্য্য পণ্ডিত সত্য নাৰায়ণ; (সম্পা.) *ছন্দোমঞ্জৰী* (গঙ্গাদাস ৰচিত); বাৰাণসী ঃ খণ্ডুড়ী-চৌখম্বা কৃষ্ণদাস অকাদেমী।



১১.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

২নং প্রশ্নৰ উত্তৰ ঃ ন, ভ, ভ, ৰ গণ।

ন ভ ভ ৰ

∪ ∪ ∪ | — ∪ ∪ | — ∪ ∪ | — ∪ —

৩নং প্রশ্নৰ উত্তৰ ঃ দ্রুতবিলম্বিতমাহ নভৌ ভৰৌ।

৪নং প্রশ্নৰ উত্তৰ ঃ ছন্দৰ প্রয়োজন অনুসৰি পদান্ত লঘু বর্ণকো গুৰু বুলি ধৰিব লাগে।

৫নং প্রশ্নৰ উত্তৰ ঃ দ্রুতবিলম্বিত ছন্দৰ প্রত্যেক চৰণত বাৰটিকৈ বর্ণ থাকে।

৬নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৭নং প্রশ্নৰ উত্তৰ ঃ 'বদ তোটকমব্ধিসকাৰযুতম্'।

৮নং প্রশ্নৰ উত্তৰ ঃ স স স স

∪ ∪ — | ∪ ∪ — | ∪ ∪ — | ∪ ∪ —

সলিলং মধুৰং কমলং মধুৰম্।

৯নং প্রশ্নৰ উত্তৰ ঃ হৰিণী ছন্দৰ প্রত্যেক চৰণত সোতৰটিকৈ বর্ণ থাকে।

১০নং প্রশ্নৰ উত্তৰ ঃ ষট্, 'বেদ' আৰু 'হয়' শব্দকেইটা ব্যৱহাৰ হৈছে।

১১নং প্রশ্নৰ উত্তৰ ঃ 'নসমৰসলা গঃ ষড়্ৰৈর্দৈর্হৰিণী মতা।'

১২নং প্রশ্নৰ উত্তৰ ঃ ∪ — —

ক্ষি তী শঃ

∪ — —

ৰ মে শঃ

— ∪ —

ৰ মে শঃ



১১.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ শুদ্ধ শব্দটো লিখক—

ক) সকাৰ বুলিলে স বর্ণক বুজা নাযায়।

খ) বল্ল্যাচার্য্যই গীতাৰ ভাষ্য ৰচনা কৰা নাছিল।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ দ্রুতবিলম্বিত ছন্দৰ সূত্রটি মুখস্থ লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ তলত উল্লেখ কৰা ছন্দবোৰৰ ভিতৰত যিকোনো দুটি ছন্দ উদাহৰণ দি বুজাই লিখক—
দ্রুতবিলম্বিত, হৰিণী আৰু তোটক ছন্দ।

*** ***** ***